**জনসংযোগ, শোণিতপুৰ** **প্ৰেছ বাৰ্তা নং ২৪১/২০১৯**

## শোণিতপুৰত জিলাৰ শলমৰাত ভাৰতীয় সেনা বাহিনীৰ বৃহৎ নিয়োগ মেলা

**তেজপুৰ ২৪ ডিচেম্বৰ ২০১৯ :-** শ্বিলংস্হিত ভাৰতীয় সেনা বাহিনীৰ মুখ্য কাৰ্য্যালয়ৰ পৰা জাৰি কৰা এক জাননী যোগে জনাইছে যে, ভাৰতীয় সেনা বাহিনীৰ বিভিন্ন পদৰ বাবে জিলা ভিত্তিত এক নিযুক্তি মেলা শোণিতপুৰ জিলাৰ শলমৰা মেঘনা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। আগন্তুক ২০২০ বৰ্ষৰ ১৩ জানুৱাৰীৰ পৰা অনুষ্ঠিত হ'ব লগা এই নিয়োগ মেলাত মুঠ ৫ টা বিভাগৰ ভালেমান সাধাৰণ আৰু কাৰিকৰী পদত উপযুক্ত প্ৰাৰ্থীক নিযুক্তি দিয়া হ'ব । সেই অনুসৰি হোজাই, বিশ্বনাথ, নগাঁও, শোণিতপুৰ আৰু মৰিগাঁও জিলাৰ প্ৰাৰ্থীৰ বাবে ১৩ জানুৱাৰীৰ পৰা ১৭ জানুৱাৰী ,২০২০ লৈ এই নিয়োগ মেলা অনুষ্ঠিত হ'ব।

ইতিমধ্যে অনলাইন যোগে এই নিয়োগ মেলাৰ বাবে আবেদন দাখিল কৰাৰ কাম আৰম্ভ হৈছে আৰু ২৮ ডিচেম্বৰ, ২০১৯ তাৰিখলৈ ইচ্ছুক প্ৰাৰ্থীয়ে এই আবেদন অনলাইন যোগে কৰিব পাৰিব। www.joinindianarmy.nic.in যোগে প্ৰাৰ্থী সকলে শিক্ষাগত অৰ্হতাৰ লগতে আবেদনৰ বাবে প্ৰয়োজনীয় তথ্য লাভ কৰিব পাৰিব। শোণিতপুৰ জিলা প্ৰশাসনে ওপৰত উল্লিখিত জিলা কেইখনৰ অৰ্হতাসম্পন্ন প্ৰাৰ্থী সকলক এই সুবিধা গ্ৰহণ কৰিবলৈ আহবান জনাইছে ।